**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***

----------------------------

১। জম্মু-কাশ্মীৰ আৰু হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ভোটগণনা চলি আছে। বিজেপিয়ে হাৰিয়ানাত একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা দখল কৰাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাত সংখ্যা গৰিষ্ঠতা লাভৰ দিশে অগ্ৰসৰ হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বায়ুসেনা দিৱস উপলক্ষে বায়ুসেনাৰ জোৱানসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যত ব্যাপক উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। **আৰু**

৫। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই পেচাদাৰী প্ৰতিযোগিতাৰ পৰা আনুষ্ঠানিক অৱসৰ ঘোষণা কৰা দেশৰ আগশাৰীৰ জিমনাষ্ট দীপা কৰ্মকাৰক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

জম্মু-কাশ্মীৰ আৰু হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ভোটগণনা চলি আছে। ফলাফলৰ শেহতীয়া ধাৰা অনুসৰি নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাত সংখ্যা গৰিষ্ঠতা লাভৰ দিশে অগ্ৰসৰ হৈছে। বিজেপিয়ে ৯০ জনীয়া হাৰিয়ানাত বিধানসভাত একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা দখল কৰাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে।

জম্মু-কাশ্মীৰত বৰ্তমানলৈকে চাৰিখন আসনৰ ফলাফল ঘোষণা কৰা হৈছে। বিজেপি আৰু জম্মু-কাশ্মীৰ নেচনেল কনফাৰেন্সে দুখনকৈ আসন লাভ কৰিছে। বিজেপিৰ দৰ্শন কুমাৰে বাচ'লি আসনখন হস্তগত কৰাৰ বিপৰীতে দলৰ আন এগৰাকী প্ৰাৰ্থী ৰণবীৰ সিং পাঠানীয়া উধমপুৰ পূব সমষ্টিত জয়ী হৈছে।

ইয়াৰ বিপৰীতে নেচনেল কনফাৰেন্সৰ নাজিৰ আহমেদে গুৰেজ আসনৰ পৰা এহাজাৰৰো অধিক ভোটত জয়ী হৈছে। দলৰ আন এগৰাকী ছলমান সাগৰে হজৰতবল সমষ্টি দখল কৰিছে। ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাহ বদগাম আৰু গান্দেৰবল দুয়োখন আসনতে আগবাঢ়ি আছে। একেদৰে কংগ্ৰেছৰ পীৰজাদা মহম্মদ ছৈয়দ অনন্তনাগ আসনত আগবাঢ়ি আছে। নেচনেল কনফাৰেন্সৰ আব্দুল মাজিদ ভাট অনন্তনাগ পশ্চিম আসনত আৰু জম্মু কাশ্মীৰ পিপুলছ কনফাৰেন্সৰ ছজ্জাদ গনি ল'নে হাণ্ডৱাৰা আসনত অগ্ৰগতি লাভ কৰিছে। ইফালে কংগ্ৰেছৰ গুলাম মহম্মদ মীৰ দৰু আসনত আৰু চি পি আই এমৰ মহম্মদ ইউছুফ তাৰিগামী কুলগাম আসনত আগবাঢ়ি আছে। ৰাজ্যখনত ভোটগণনা চলি থকা বাকী ৮৬ খন আসনৰ ভিতৰত নেচনেল কনফাৰেন্স ৪১ খনত, বিজেপি ২৬ খনত, কংগ্ৰেছ ৭ খনত, জম্মু-কাশ্মীৰ ডেম'ক্ৰেটিক পাৰ্টি দুখনত, জম্মু-কাশ্মীৰ পিপলছ কনফাৰেন্স এখনত, চি পি আই এম

এখনত, আম আদমী পাৰ্টী এখনত আৰু নিৰ্দলীয় প্ৰাৰ্থী ৭ খন আসনত আগবাঢ়ি আছে। উল্লেখযোগে যে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাৰ বাবে ১৮, ২৫ ছেপ্তেম্বৰ আৰু পহিলা অক্টোবৰত তিনিটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

হাৰিয়ানাত ঘোষণা কৰা প্ৰথমখন আসন কংগ্ৰেছে লাভ কৰিবলৈ সমৰ্থ হৈছে। কংগ্ৰেছৰ আফতাব আহমেদে নুহ আসনখন দখল কৰিছে। ৰাজ্যখনৰ ৮৯ খন আসনৰ ভিতৰত বিজেপিয়ে ৫১, কংগ্ৰেছে ৩৩, ইণ্ডিয়ান নেচনেল লোকদলে এখনত, বহুজন সমাজ পাৰ্টি এখন আৰু নিৰ্দলীয় তিনিখন আসনত আগবাঢ়ি আছে।

বিজেপি নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী নায়াব সিং ছেইনী লাড়ৱা আসনত আগবাঢ়ি আছে। কংগ্ৰেছ নেতা তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুডায়েও গড়হি ছাম্পলা কিল'লি আসনত অগ্ৰগতি লাভ কৰিছে। বিজেপিৰ মনোজ কুমাৰ পলৱাল, নিখিল মদন শোণিপত আসনত আগবাঢ়ি আছে। কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰা মল্লযোদ্ধা ৱিনেশ ফগটে জুলানা সমষ্টিত অগ্ৰগতি লাভ কৰিছে।

উল্লেখযোগ্য যে হাৰিয়ানা বিধানসভাৰ নিৰ্বাচন যোৱা ৫ অক্টোবৰত এটা পৰ্যায়ত অনুষ্ঠিত হৈছিল।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হ'ব। লগতে নিত্যা মেনেনক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হ'ব।

ইপিনে অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হ'ব। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনাক নিৰ্বাচন কৰা হৈছে। উঁচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হ'ব। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পী বঁটা প্ৰদান কৰা হ'ব। আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুথিকে ধৰি পুনিয়ান ছেলভন-১, কে জি এফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰকেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ ষষ্ঠ দিনা আজি কাত্যায়নীৰ ৰূপত দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত দেৱী কাত্যায়নীৰ আশিসে সকলো ভক্তৰে জীৱনত শক্তি আৰু সাহসৰ সঞ্চাৰ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বায়ুসেনা দিৱস উপলক্ষে বায়ুসেনাৰ জোৱানসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পষ্টত শ্ৰী মোদীয়ে কয় যে, বায়ুসেনাৰ জোৱানসকলৰ সাহস আৰু পেচাদাৰী মনোভাৱৰ লগতে ৰাষ্ট্ৰক সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা অতি প্ৰশংসনীয়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় বায়ুসেনাৰ সফলতা আৰু একবিংশ শতিকাৰ অন্যতম শক্তিশালী সৈন্য বাহিনী হিচাপে বায়ুসেনাক আলোকপাত কৰি এটা ভিডিঅ' সামাজিক মাধ্যমত প্ৰকাশ কৰিছে।

0000000

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যত ব্যাপক উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। বতৰ কিছু ফৰকাল হোৱাত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পূজা সমিতিসমূহে বিভিন্ন বিষয়বস্তুক আধাৰ হিচাপে লৈ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই-পৰাই তুলিছে। সমান্তৰালভাৱে বতৰ ফৰকাল হোৱাৰ লগে লগে মহানগৰীৰ বজাৰসমূহত বিশেষকৈ ফাঁচীবজাৰ, গণেশগুৰিত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। একেদৰে ৰাজ্যৰ অন্য প্ৰান্ততো শাৰদীয় দুৰ্গা পূজাৰ উৎসাহ-উদ্দীপনা তথা ব্যস্ততা দেখা গৈছে।

শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত কেইবাখনো দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰে শিৱসাগৰ নগৰৰ বাৰোৱাৰী পূজা সমিতিয়ে আয়োজন কৰা পূজাভাগীৰ মণ্ডপটোৱে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। পুৰণি অসমীয়া চলচ্চিত্ৰক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা হৈছে এই পূজা মণ্ডপ। ইফালে চিৰাঙতো দুৰ্গা পূজাৰ ব্যাপক আয়োজন দেখা গৈছে। এইবেলি জিলাখনত ১২১ খন পূজা অনুষ্ঠিত হৈছে। নগাঁও জিলাতো উলহ-মালহেৰে দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে।

ইপিনে, প্ৰশাসনে দুৰ্গা পূজা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে পূজা সমিতিসমূহলৈ যাৱতীয় নীতি-নিৰ্দেশনা জাৰি কৰিছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।

0000000

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেছে কালি এটা ভিডিঅ' বাৰ্তাৰ যোগেদি গাজা সংঘৰ্ষৰ প্ৰথম বৰ্ষপূৰ্তিৰ উপলক্ষে পশ্চিম এছিয়াত শান্তিৰ আহ্বান জনাইছে। বাৰ্তাটোত গুটেৰেছে কয় যে, কালিৰ দিনটো বিশ্ব সম্প্ৰদায়ে পুনৰবাৰ শক্তিশালী কণ্ঠেৰে হামাছৰ ঘৃণনীয় কাৰ্য আৰু বহুলোকক পণবন্দী কৰি ৰখাৰ বিৰুদ্ধে নিন্দা কৰাৰ দিন। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধানগৰাকীয়ে সকলো ভুক্তভোগী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সৈতে একাত্মতা প্ৰকাশ কৰে আৰু পণবন্দী সকলক মুকলি কৰি দিয়াৰ লগতে শান্তি পুনৰ উদ্ধাৰ সময় আহি পৰিছে বুলি মন্তব্য কৰে।

0000000

অসম আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এনে অভিযানৰ অংশ হিচাপে কাছাৰ আৰক্ষীয়ে শিলচৰ আৰু ৰামনগৰত বিশেষ অভিযান চলাই ৫৭২ গ্ৰাম হেৰ'ইন আৰু ১০ হাজাৰ য়াবা টেবলেট উদ্ধাৰ কৰিছে। এই ঘটনা সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

ইপিনে বিশ্বনাথ আৰক্ষীয়ে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন বাহনৰ পৰা ৩১৪ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ কৰিছে। উদ্ধাৰ কৰা গাঞ্জাখিনিৰ মূল্য এক কোটি ৫৭ লাখ হ'ব বুলি অনুমান কৰা হৈছে।

0000000

ভাৰতীয় জিমনাষ্ট দীপা কৰ্মকাৰে কালি পেচাদাৰী প্ৰতিযোগিতাৰ পৰা আনুষ্ঠানিক অৱসৰ ঘোষণা কৰাৰ পাছত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত মন্দাভিয়াই কয় যে, দীপাৰ প্ৰতিভাই দেশৰ জীয়ৰীসকলৰ লগতে

যুৱ প্ৰজন্মক খেলিবলৈ অনুপ্ৰাণিত কৰিছে। তেওঁ লগতে কয় যে, দীপাৰ সাফল্যই সমগ্ৰ বিশ্বৰ সন্মুখত ভাৰতক গৌৰৱান্বিত কৰাৰ সমান্তৰালকৈ কোটি কোটি দেশবাসীক গৌৰৱ আৰু সন্মানৰ মুহূৰ্ত প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে দীপাই বহু চিন্তা-চৰ্চাৰ পাছত প্ৰতিযোগিতামূলক জিমনাষ্টিক্সৰ পৰা অৱসৰ লোৱা সিদ্ধান্তৰ বিষয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰিছিল। অৱসৰৰ সিদ্ধান্ত লোৱাটো সহজ নাছিল যদিও এয়াই সঠিক সময় বুলি খেলুৱৈগৰাকীয়ে পষ্টটোত প্ৰকাশ কৰিছিল।

০০০০০০০

সমাপ্ত